# সপ্তম ভাৰত-গণন্ত্ৰাতিক কোৰিয়াৰ যুটিয়া আয়োগৰ বৈঠক

নভেম্বৰ ০৮,২০১৩

আজি নতুন দিল্লীত সপ্তম খন ভাৰত-গণন্ত্ৰাতিক কোৰিয়াৰ (জেচিএম) যুটিয়া আয়োগৰ বৈঠক অনুষ্ঠিত হয় ।বৈঠকত ভাৰতীয় পক্ষক নেতৃত্ব দিয়ে কেন্দ্ৰীয় বিদেশ মন্ত্ৰী চালমান খুৰছিদে আৰু গণন্ত্ৰাতিক কোৰিয়াক(আৰওকে)প্ৰতিনিধিত্ব কৰে কোৰিয়াৰ বিদেশ মন্ত্ৰী শ্ৰী য়ুন বায়ুঙ-চেয়ে(Yun Byung-se)।ভাৰতীয় প্ৰতিনিধিৰ দলটোত আছিল কেন্দ্ৰীয় বহি:পৰিক্ৰমা মন্ত্ৰী,সুৰক্ষা মন্ত্ৰী,বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী আৰু উৰিষ্যা চৰকাৰৰ প্ৰতিনিধিয়ে ।

মন্ত্ৰী দুগৰাকীয়ে দুয়োখন দেশৰ দ্বিপাক্ষীক সম্বন্ধৰ বিষয়টো বিশদ ভাৱে পুণৰনিৰিক্ষন কৰে ।বিগত কেবাবছৰৰ পৰা দুয়োদেশৰ সম্বন্ধক কৌশলগত অংশীদাৰিত্ব পৰ্যায়লৈ উন্নতকৰণৰ কৰা হৈছে আৰু দুয়োদেশৰ দ্বিপাক্ষীক সম্বন্ধই এক বহল আৰু গভীৰত্ব লাভ কৰিছে ।উল্লেখনীয় যে এই উচ্চ পৰ্যায়ৰ ৰাজনৈতিক বিনিময়ে দুয়োদেশৰ সম্বন্ধলৈ এক বিষেশ সাফল্য অৰ্জন কৰিছে ।তেওঁলোকে ২০১৪ চনৰ প্ৰথম ভাগতে আৰওকেৰ ৰাষ্ট্ৰপতি মাডামে পাৰ্ক জেয়ন-প্যায়ৰ (Madame park Geun-hye) ভাৰত ভ্ৰমণৰ বিষয়টোও আলোচনা কৰে ।

জেচিএমে দুয়োদেশৰ মাজৰ দ্বিপাক্ষীক সম্পৰ্কৰ ক্ষেত্ৰত ৰাজনৈতিক,সুৰক্ষা,বাণিজ্য ,বিনিয়োগ,বাণিজ্যদূত,বৈজ্ঞানিক আৰু সাংস্কৃতিক

পৰিধিক সামৰি কৌশলগত আৰু অৰ্থনৈতিক বিষয় সমুহো অন্তৰ্ভূক্ত কৰাৰ পূৰ্ব্বাভাষ দিয়ে । বৈঠকত আঞ্চলিক, আৰ্ন্তজাতিক প্ৰসংগৰ  দুয়ো দেশৰ মাজত ঐক্যমত থকা বিভিন্ন গুৰুত্বূ পূৰ্ণ বিষয় সমুহো আলোচনা কৰা হয় ।

গণতান্ত্ৰিক কোৰিয়াৰ বিদেশ মন্ত্ৰী য়ুনে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গৰাকীক অষ্টম ভাৰত-গণতান্ত্ৰিক কোৰিয়াৰ যুটিয়া আয়োগৰ বৈঠকত দুয়োপক্ষৰ বাবে সুবিধাজনক তাৰিখ এটাত অনুষ্ঠিত কৰিবলৈ চিউল লৈ আমন্ত্ৰণ কৰে ।

নতুন দিল্লী

নভেম্বৰ ০৯,২১৩